নোপোৱাৰ
কবিতা
কবিতা আৰু গীত সংকলন
শুভজিৎ ৰায়কৰ্মকাৰ
Deep Starglance Publishing

নোপোৱাৰ কবিতা

মোৰ কবিতা আৰু গীতসমূহ

শুভজিৎ ৰায়কৰ্মকাৰ

Deep Starglance Publishing

স্বত্বাধিকাৰ (Copyright) © ২০২৬, শুভজিৎ ৰায় কৰ্মকাৰ। সৰ্বস্বত্ব সংৰক্ষিত।

ভাগ-বতৰা কৰাৰ অনুমতি:

এই কবিতাসমূহৰ চমু উদ্ধৃতি বা কিছু অংশ ছচিয়েল মিডিয়া, ব্লগ বা কিতাপৰ পৰ্যালোচনাত ভাগ-বতৰা বা উদ্ধৃত কৰিব পাৰিব, যদিহে ইয়াৰ সম্পূৰ্ণ আৰু সঠিক কৃতিত্ব লেখক শুভজিৎ ৰায় কৰ্মকাৰক প্ৰদান কৰা হয়।

প্ৰকাশনৰ সবিশেষ:

• প্ৰথম সংস্কৰণ: ২০২৬
• প্ৰকাশক: Deep Starglance Publishing
• লেখকৰ ইমেইল: subhajitraikarmakarofficial@gmail.com

সৃষ্টিশীল কৃতিত্ব:

• কিতাপৰ ফৰ্মেটিং আৰু প্ৰচ্ছদ সজ্জা: শুভজিৎ ৰায়কৰ্মকাৰ

প্ৰকাশনৰ চমু পৰিচয়:

Deep Starglance Publishing হৈছে ই-বুক (e-books), ই-মেগাজিন (e-magazines), অডিঅ'বুক (audiobooks) আৰু ছপা কিতাপ প্ৰকাশ কৰা এটা প্ৰকাশন প্ৰতিষ্ঠান, যাৰ প্ৰতিষ্ঠা কৰিছিল শুভজিৎ ৰায়কৰ্মকাৰে। ই Deep Starglance Industries Enterprises-ৰ এক অন্যতম অংশ (division)।

কিতাপখনৰ বিষয়:

"নোপোৱাৰ কবিতা" হৈছে শুভজিৎ ৰায়কৰ্মকাৰৰ অসমীয়া ভাষাত ৰচিত এটা কবিতা সংকলন আৰু এইখনেই তেওঁৰ প্ৰথম কিতাপ। এই কিতাপখনৰ সকলো কবিতা, দুশৰীয়া কবিতা আৰু গীতৰ কথা পুথিখনৰ লেখক শুভজিৎ ৰায়কৰ্মকাৰৰ দ্বাৰা মৌলিকভাৱে লিখা হৈছে। কিতাপখনত অন্তৰ্ভুক্ত কৰা গীতসমূহৰ মূল সুৰকাৰ হৈছে দেৱজিৎ ৰায়কৰ্মকাৰ। এই কিতাপখনত কোনো স্বত্বাধিকাৰ উলংঘা কৰা সমল ব্যৱহাৰ কৰা হোৱা নাই।

লেখকৰ পৰিচয়:

শুভজিৎ ৰায়কৰ্মকাৰ (২০০৬-বৰ্তমান) ভাৰতৰ এজন গীতিকাৰ, কবি আৰু চিত্ৰনাট্যকাৰ। তেওঁ Deep Starglance Industries Enterprises-ৰ এজন প্ৰতিষ্ঠাপক আৰু মুখ্য পৰিচালন বিষয়া (COO)। তেওঁ Deep Starglance Publishing-ৰো প্ৰতিষ্ঠাপক। দেৱজিৎ ৰায়কৰ্মকাৰৰ সৈতে যৌথভাৱে তেওঁৰ প্ৰথমটো গীত "দামী পোছাক" ২০২৫ চনত Deep Starglance Music Record-ৰ পৰা মুক্তি লাভ কৰিছিল। তেওঁৰ প্ৰথমখন কিতাপ হৈছে "নোপোৱাৰ কবিতা", যিখন শুভজিৎ ৰায়কৰ্মকাৰৰ অসমীয়া গীত আৰু কবিতাৰ এটা সংকলন।

সুৰকাৰৰ পৰিচয়:

দেৱজিৎ ৰায়কৰ্মকাৰ (১৯৯৭-বৰ্তমান) এজন ভাৰতীয় সংগীত সুৰকাৰ আৰু কি-বোৰ্ড বাদক। তেওঁ Deep Starglance Industries Enterprises-ৰ এজন প্ৰতিষ্ঠাপক আৰু অধিকাৰী। শুভজিৎ ৰায়কৰ্মকাৰৰ সৈতে যৌথভাৱে তেওঁৰ প্ৰথমটো আত্মপ্ৰকাশমূলক গীত "দামী পোছাক" ২০২৫ চনত Deep Starglance Music Record-ৰ পৰা মুক্তি পাইছিল। তেওঁ ২০২৬ চনত Deep Starglance Music Record-ৰ পৰা তেওঁৰ প্ৰথমখন একক পিয়ানো ইপি মুক্তি দিছে।

Copyright © 2026 by Subhajit Raikarmakar. All Rights Reserved.

Permissions for Sharing:

Brief quotations and short stanzas from these poems may be shared or quoted on social media, blogs, or in book reviews, provided that full and proper credit is given to the author, Subhajit Raikarmakar.

Publication Details:

First Edition: 2026
Published by: Deep Starglance Publishing
Author Email: subhajitraikarmakarofficial@gmail.com

Creative Credits:

Book Formatting & Cover Design by Subhajit Raikarmakar

Publishing Company's Short Bio:

Deep Starglance Publishing is an e-books, e-magazines, audiobooks and printed books publishing company founded by Subhajit Raikarmakar and it is also a division of Deep Starglance Industries Enterprises.

About The Book:

“Nupowaar Kobitaa” is a poetry collection of Subhajit Raikarmakar written in Assamese language and also this is his first book. All poems, couplets and song lyrics are originally written by the book author, Subhajit Raikarmakar. The songs listed in this book are originally composed (tuned) by Debajit Raikarmakar. All contents in this book are original and copyright-protected.

About The Author:

Subhajit Raikarmakar (2006-Present) is a lyricist, poet and screenwriter from India. He is a founder and COO of Deep Starglance Industries Enterprises. He is also the founder of Deep Starglance Publishing. He released his first song "Daami posaak" in 2025 from Deep Starglance Music Record in collaboration with Debajit Raikarmakar. His first book is "Nupowaar Kobitaa" which is an Assamese song and poetry collection by Subhajit Raikarmakar.

About The Composer:

Debajit Raikarmakar (1997-Present) is an Indian music composer and keyboardist. He is a founder and Owner of Deep Starglance Industries Enterprises. He has released his first debut song "Daami posaak" in 2025 from Deep Starglance Music Record in collaboration with Subhajit Raikarmakar. He released his first piano EP in 2026 from Deep Starglance Music Record.

সূচীপত্ৰ

চুটি কবিতা আৰু দুশৰীয়া কবিতা
১) অচিনাকি কোনো ভয়লগা
২) বিগত বহু দিন ধৰি
৩) এই অনুভুতি ৰ'দালি
৪) যিদিনা দেহা মোৰ থ'ব চোতালত
৫) এতিয়া ভয় লাগিলে কাকনো সাবটি ধৰা
৬) ইনষ্টা, ফেচবুকত কাৰোবাৰ ফটো লাইক কৰিলে
৭) আচলতে জানা
৮) মাথোঁ মৰম দি কাকো সুখী ৰাখিব নোৱাৰি
৯) প্ৰেমৰ কিতাপতো পঢ়িও বুজা নাই
১০) কিনো কৰিম কোৱা
১১) বেছি দিনৰ কথাতো নহয়
১২) কবও যে নোৱাৰো তোমাক অধৰেৰে
১৩) উমাল বয়সত বোজা পঢ়াৰ
১৪) অচিনাকি এই নিৰাশা
১৪) জীৱনটো যিমানে সৰু
১৫) দাপোন নহয় যেন আকৌ পৃথিৱী
১৬) আমি হ'লো আজিৰ ষ্ট্ৰাগল মন
১৭) মলিন অনুভৱে

গীতসমূহ
১) দামী পোছাক
২) মনে নাজানো
৩) চকু মেলি শুই উঠা
৪) ভালপোৱা ন'হলে
৫) সদায় জোনত
৬) আৰু নিলিখোঁ মই
৭) পোহৰ পোহৰ আকাশলৈ
৮) ভগা সপোনৰ অৰ্থ কি

(১)

অচিনাকি কোনো ভয়লগা
চুই যায় বাৰে বাৰে,
তুমি চাগে মোৰ নোহোৱা
হবা আনকাৰোবাৰে ।

- শুভজিৎ ৰায়কৰ্মকাৰ
(১৮ জানুৱাৰী ২০২৫)

(২)

বিগত বহু দিন ধৰি লিখি আছিলো এপাহ ফুলৰ
পাপৰি মৰহি যোৱাৰ কাহিনী
বুটলি আছিলো লেৰেলি যোৱা স্মৃতিৰ ৰক্তাক্ত শেৱালিবোৰ
তেতিয়া বৰকৈ চকুত ভাহি উঠিছিল ধুসৰ ধুসৰ হৈ
তোমাৰ স্পৰ্শ তোমাৰ আঁচল তোমাৰ ৰুমাল
টোপা টোপে ক্ষৰিত হোৱা হৃদয়ৰ আবেগ আৰু দুখবোৰ যেন অফুৰন্ত
নিয়ৰ

- শুভজিৎ ৰায়কৰ্মকাৰৰ
(২ জুলাই ২০২৬)

(৩)
এই অনুভুতি ৰ'দালি
এই পৰশ মোৰ যে চিনাকি
এই উকা বিষাদ অনুভৱ
মোক তোমাৰ দৰে চুলেহি
ধল পুৱা চেঁচা অনুভৱ
জাগি উঠিল দুখৰ সমাধি
সেই দুখে বৰ আঁচুৰিলে
জাগি উঠিল আঘাত উচুপি
নব নব প্ৰাণ পোৱা অভিলাষা
জানি বুজি মাৰিছিলা নে সেইদিনা

(৪)
যিদিনা দেহা মোৰ থ'ব চোতালত
আঁকিবা দেই তুমি মোৰ চুমা দুগালত
ধৰিবা সাবটি মোৰ আঙুলি
দিবা প্ৰীতিৰে পৰশ সাৰথী
তুমি দুচকু দুখে নভৰিবা
ওঠেৰে হাঁহি দিবা বিলাই
মোক যিদিনা দিবা বিদায়
মোক ফুলেৰে দিবা সজাই

(৫)
এতিয়া ভয় লাগিলে কাকনো সাবটি ধৰা
তোমাৰ ওখৰা মোখৰা চুলিবোৰ
এতিয়া কোনেনো ঠিক কৰি দিয়ে
চকুৰ পতা, লিহিৰি কপাল তোমাৰ
এতিয়া জানো কোনোবাই চুমি দিয়ে
তুমি অভিমান কৰিলে কোনেনো বুজায় এতিয়া
আৰু কোনেবা তোমাৰ চকুলো হাতেৰে মচি দিয়ে

(৬)
ইনষ্টা, ফেচবুকত কাৰোবাৰ ফটো লাইক কৰিলে
বা ৰাস্তা ঘাটত কাৰোবাৰ মুখলৈ চালে
তুমি খং কৰা, বেয়া পোৱা
কিন্তু কিয়নো নুবুজা, এইবোৰ মাথোঁ মোৰ ভাল লগা
আৰু তুমি মোৰ সঁচা ভালপোৱা

(৭)
আচলতে জানা
ভালপোৱা সঁচা বা মিচা কেতিয়াও নহয়
হয়তো তুমি মোক ভালপোৱা
আৰু নহ'লে অভিনয়হে কৰিছা
প্ৰথম মৰম পাহৰি যোৱা নাই
আজিও তো মই আনলে চোৱা নাই
তুমি যদিও কপালত লিখা নাই
তোমাৰ মৰম আনলে থোৱা নাই

(৮)
মাথোঁ মৰম দি কাকো সুখী ৰাখিব নোৱাৰি
বহু কাষৰ হ'লেও এদিন নিজে যাবই আঁতৰি
সোণৰ চৰাইটি বাঁহৰ সঁজাত ৰাখিব নোৱাৰি
এদিন হ'লেও সোণৰ সঁজালে যাব যে উৰি

(৯)
প্ৰেমৰ কিতাপতো পঢ়িও বুজা নাই
মৰম বাঢ়ে নে মৰম কমি যায়
মোক নেপালেহে বুজিবা
মৰম মোলৈ আছিল নে সঁচাই
যাৰ সপোন কেতিয়াও ভগা নাই
সি ভগা সপোন কি চিনিতো নেপায়
আশা ভাগিলেহে বুজিবা
হৃদয় থাকে নে সঁচাকৈ ভাগি যায়

(১০)
কিনো কৰিম কোৱা যদি ভুল বুজি যোৱা আতৰিও
বুকুৰ অনুভূতি ফালি দেখুৱাবতো নোৱাৰো কাহানিও

(১১)
বেছি দিনৰ কথাতো নহয়
নহয় বহু পুৰণি কাহিনী
হৃদয় দুখিয়াৰহে ভাগি যায়
মিচা হয় প্ৰেমৰ পাতনি

(১২)
কবও যে নোৱাৰো তোমাক অধৰেৰে
লিখিব নোৱাৰি অনুভূতি আখৰেৰে

(১৩)
উমাল বয়সত বোজা পঢ়াৰ
আৰু চিন্তা future গঢ়াৰ

(১৪)
অচিনাকি এই নিৰাশা চিনাকি নহয়
নিতে নৱ নৱ আহে যায় স্থায়ী নহয়

(১৫)
জীৱনটো যিমানে সৰু
সপোনবোৰ সিমানে ডাঙৰ
নাজানো কি কেনেকৈ কৰিম
দিনক দিনে বাঢ়িছে জগৰ

(১৬)
দাপোন নহয় যেন আকৌ পৃথিৱী
সকলো আছে নিজান তথাপি
দাপোনৰ আগে চোৱা থিয় দি
নহয় নে কোৱা এটি নতুন পৃথিৱী

(১৭)

চোলা আৰু শ্বু তিতি যাব
যদি ৰাস্তাতে পাওঁ শ্ৰাৱণ
ফিউচাৰ আমাৰ কি যে হ'ব
তুমি আমি ভাবিছো কাৰণ
আমি হ'লো আজিৰ ষ্ট্ৰাগল মন
হাঁহি আমাৰ কিয় যে ম্লান
যদি সুধিছা শুনা কাৰণ
কিয় ভাবিছো সুধা যদি
কিয় নাভাবো দিয়া কাৰণ
আমি হ'লো আজিৰ ষ্ট্ৰাগল মন
কিছু টকাৰ ভাগ বচাওঁ বুলি
ৰিক্সা নধৰি খোজকাঢ়ো
ভাল লাগে দহ টকাৰে চাহ
মোৰ স্বপ্ন নিচেই সৰু
ভগা আখলত সুখৰে ভাত
দামী ৰেষ্টোৰাঁত বিল হেভী
নুপুচালে কেফেটেৰিয়া
বৰ হেভী হাই চোচাইটি
দেখিছো সৰা পানী টিনৰ পৰা
তিতি বুৰি যোৱা ঘৰ শিতান

(১৮)

মলিন অনুভৱে কৰিব হৃদয় মলিন
মলিন বাসনাতে মুগ্ধ মন প্ৰেম বিহীন
মলিন অনুভৱে স্পৰ্শ কৰে মলিন
মলিন বাসনাতে আছে কাৰ সময় বিলিন
হৃদয় নিকা নহ'লে, সভ্যতা অসাৰ
মলিন ভাষাবোৰে কৰিব তোমাক মলিন
মলিন কথাবোৰে মিত্ৰতা কৰে মলিন
মলিন ছবি দেখি মন নয়ন মুগ্ধ বিলীন
মলিন চাৱনিয়ে মন নয়ন কৰে মলিন
হৃদয় নিকা নহ'লে, শিক্ষা যে বেকাৰ
দিয়া স্থান প্ৰাণত শুদ্ধ মন অনুভৱ

দামী পোছাক

দামী পোছাক বিলাসী হাতত
প্ৰতিভাও আজি উঠি যায়
সফলতাৰ চহকী বজাৰ
বহু আশাবাদী উটি যায়

আনৰ কথা যদি মনত লোৱা
পথৰ ধুলি ভাবি মচি লোৱা
দাপোন বিষাদৰ ভাঙি চোৱা
সুখে খেদি যাব দ্বিধা ভুৱা

লোৱা মচি সুৰভী দুখৰ
গঢ়ি চোৱা নৱ প্ৰতিবাদ
সাহসিকতাৰ দিব পৰিচয়
উকি মাৰি চোৱা ইতিহাস

ধুনীয়া মুখ বিলাসীতা সুখ
প্ৰতিভানো আজি কোনে চায়
দেখিও নাচায় দুচকুলে তাৰ
সফলতা যাৰ দিশে নাই

ধূসৰ ধূসৰ চিনাকি চহৰ
ব্যৱহাৰও বৰ অচিনা
তিয়ায় নিতে শিতান কাষৰ
বিফলতাৰ লিখি কবিতা

আনৰ কথা যদি মনত লোৱা
পথৰ ধুলি ভাবি মচি লোৱা
দাপোন বিষাদৰ ভাঙি চোৱা
সুখে খেদি যাব দ্বিধা ভুৱা

দিয়া পেলাই চিয়াহী দুখৰ
লিখি চোৱা নৱ উপন্যাস
সাহসিকতাৰ দিব পৰিচয়
উকি মাৰি চোৱা ইতিহাস

মনে নাজানো

মনে নাজানো কি যে বিচাৰে
এটি নৈ সুখৰ এটি দুখৰে
দুটি নিৰলে বৈ যায়
ঘুৰি পিছলৈ নাচায়
হঠাত জীৱনে নতুন আদৰে
আশা দুচকুত আদৰি আনে
নতুন পুৰণি হৈ যায়
আকৌ অতীতলে চায়
দাপোনৰ অসীম পৰিধি চোৱা
অহাপুৱালে আজি কিয় ভাবা
জীৱন এমুঠি বালি
ভাবি কিনো হ'ল কালি

সপোনৰ অনেক সমাধি চোৱা
মৰিশালিত ৰ'ল পোৱা নোপোৱা
আশা সদায় অনাদি
অসীম হৃদয়ৰ আধি

লোৱানা মচি আবিৰ দুখৰে
এখোজ দি চোৱা নতুন পথেৰে
অতীত ভটীয়াই নাহে
সিও তো সময়ৰ দৰে

চকু মেলি শুই উঠা

চকু মেলি শুই উঠা মানে এমুঠি উমাল আশা
ৰ'দ আহি যায় ঘুৰি সামৰি লোৱা অবুজ আশা
পাইও হেৰুৱা হাৰি যোৱা নহয় নে কোৱা নিৰাশাৰ ভাষা
প্ৰেৰণাৰ আশা আতৰি যোৱাত দিঠকত ৰুলো আকৌ নিৰাশা
মোৰ আশাৰ সাগৰ সিও বৈ থাকক অনাদি
মোৰ ভৰসাৰ সাগৰ সিও বৈ থাকক অনাদি

পৰি উঠাৰ সফল হোৱাৰ যদি সিও শেষ হয় আশা
ভাগি পৰিম কিনো কৰিম দোষী প্ৰতিখোজে নিৰাশা
আছিল কালি প্ৰেৰণা ঠেকেচি আনিম সফলতা
আজি চাগে ঠেকেচিব মোকে আহি বিফলতা
মোৰ আশাৰ সাগৰ সিও বৈ থাকক অনাদি
মোৰ ভৰসাৰ সাগৰ সিও বৈ থাকক অনাদি

সাগৰতো সাতোৰে যি পাৰ পোৱা হ'ল তাৰ আশা
তোৰো বাটে মোৰো বাটে অহা যোৱা হওক এই আশাৰ
সপোন ভাঙে সপোন গঢ়ে আশায় যাচে প্ৰভাতি সুবাস
খোজে খোজে জানানে ধূলি পৰিব উৰিব কত নিৰাশাৰ
মোৰ আশাৰ সাগৰ সিও বৈ থাকক অনাদি
মোৰ ভৰসাৰ সাগৰ সিও বৈ থাকক অনাদি

ভালপোৱা ন'হলে

ভালপোৱা ন'হলে নাচাবা চকুলে
এটি মন কিয় ভাঙা নিৰৱে নিৰলে

এন্ধাৰও নামি আহে সপোন ৰঙতে
জোনাকও ভাহি উঠে সাগৰ বুকুতে
এটুপি সোঁৱৰণী যোৱা নাই আজিও সৰি
ভাবনাত হৃদয় চুমি গ'লা দিঠকত এৰি
যদিওবা নামাতে আজি অতীতৰ ৰাগে
তথাপি যে বেৰঙীন কিয়নো মন লাগে

ভালপোৱা ন'হলে নাচাবা চকুলে
এটি মন কিয় ভাঙা নিৰৱে নিৰলে

সময়ৰ কিছু মিঠা পল যেন প্ৰেমৰ কাহিনী
হৃদয়তে জাগে নীল অনুৰাগৰ ৰাগিনী
অভিনৱ সেই অধৰ সেই দুচকু যেন
সোঁৱৰণী হৈ নামে প্ৰতি উশাহে যেন

কাক লোৱা সাবটি যদি ভয় লাগে তোমাৰ
কোনে দুচকুৰ পাহিত লিখে মৰমও তোমাৰ
বহু পল লিখিছিলো দুয়ো একেলগে
আজি দুবাহু নিজৰ উকা উকা লাগে

নিৰিহ মনৰ পখী যদি কাঁইটে খুঁচি যায়
তিলে তিলে বাছিও সি তো এনেই মৰি যায়

নিলামত আজি সপোন তুমি গ'লা আঁতৰি
ফাটি যোৱা চিলাখন উৰুৱাব নোৱাৰি

এৰি অহা দিনবোৰৰ পাত লুটিয়াই চাও
শীতৰে সেই গধূলিক জানো কিবা ভালপাও
উভতি ভাবিলেই উঠে মন উচুপি
বিষাদৰে ৰং সানে স্মৃতিৰ সেই ছবি

ভালপোৱা ন'হলে নাচাবা চকুলে
এটি মন কিয় ভাঙা নিৰৱে নিৰলে

সদায় জোনত

সদায় জোনত উশাহত নুবুজা স্মৃতিৰে
নেদেখা সন্ধিয়া নামে বুকুৰ অসীম সিপাৰে
নেদেখা সন্ধিয়া নামে বুকুৰ অসীম সিপাৰে

অনুভৱে নোৱাৰে সীমাত ৰ'ব নিজৰে
বাগৰো সলায় দুচকুত আৰু হৃদয় আঁচুৰে
বাগৰো সলায় দুচকুত আৰু হৃদয় আঁচুৰে

তুমি হোৱা সপোনও অনাদি মৰমেৰে
থাকিব দুচকুৰ পাহিত সদায়ে উলাহেৰে
থাকিব দুচকুৰ পাহিত সদায়ে উলাহেৰে

সদায় খামোচি ধৰে
তোমাক পোৱা দিনবোৰে
নাপালে হ'ব কি গতি ভাবিছোঁ বাৰেবাৰে
নাপালে হ'ব কি গতি ভাবিছোঁ বাৰেবাৰে

কোনে কাঢ়ে নুসুধি ঘুমতি দুচকুৰে
এতিয়া নেজানো কিয় দুখবোৰো ভাগৰে
এতিয়া নেজানো কিয় দুখবোৰো ভাগৰে

অনুভৱে নোৱাৰে সীমাত ৰ'ব নিজৰে
বাগৰো সলায় দুচকুত আৰু হৃদয় আঁচুৰে
বাগৰো সলায় দুচকুত আৰু হৃদয় আঁচুৰে

আৰু নিলিখোঁ মই

আৰু নিলিখোঁ মই নোপোৱাৰ কবিতা
আৰু নিলিখোঁ মই নোহোৱাৰ কবিতা
আৰু নেভাবো মই কিয় নাহে মোলৈ
উভতি হে যায় শুভ্ৰ সফলতা

আৰু নেদেখোঁ মই মোলান দুখৰ জোনাক
আৰু নেদেখোঁ মই বিশাল এন্ধাৰ আকাশ
আৰু নেভাবো মই কিয় ডাৱৰে নো
ৰুধিব হে খোজে পোহৰৰ প্ৰকাশ

জাগি উঠিম সূৰ্য্যোদয় হৈ
এন্ধাৰত প্ৰেৰণাৰ জোনাক
নিতে ৰোধিম হতাশাৰ প্ৰবাহ
নোহোৱা নোপোৱাৰ কথাক

দাপোন ভাগি গ'লে অলপতু কোলাহল হয়
সপোন ভাগিলে দেখোঁ শব্দ ভুলতু নহয়
জন্ম লোৱা টো যেন উচ্ছ্বৰ সুখৰ উপহাৰ
মৃত্যুৰ আগমনিত ভয় দুখ ইমান অপাৰ

আৰু নেৰাখোঁ মই একু পোৱাৰ আশা
আৰু নকৰোঁ চিন্তা নেৰাখোঁ হতাশা
আৰু নেভাবো মই কিয় নাহে মোলৈ
উভতি হে যায় শুভ্ৰ সফলতা

জাগি উঠিম সূৰ্য্যোদয় হৈ
এন্ধাৰত প্ৰেৰণাৰ জোনাক
নিতে ৰোধিম হতাশাৰ প্ৰবাহ
নোহোৱা নোপোৱাৰ কথাক

পোহৰ পোহৰ আকাশলৈ

পোহৰ পোহৰ, আকাশলৈ, চকু মেলি, চাওঁ যেন লাগে
এন্ধাৰ এন্ধাৰ, আকাশলৈ, উৰি ভাহি, যাওঁ যেন লাগে
সাগৰ সাগৰ গভীৰলৈ এবাৰ সাঁতোৰ দিওঁ যেন লাগে
অসীম অসীম দিগন্ত উষাৰ বালিত বহি চাওঁ যেন লাগে
উষাৰ বালিত বহি চাওঁ যেন লাগে

চিকুণ চিকুণ, এটোপাল, নিয়ৰ বকুল পাহিত, কিযে ভাল লাগে
প্ৰভাত প্ৰভাত, সুৰুযে আহি, এন্ধাৰ আতৰায়, কিযে ভাল লাগে
শীতল শীতল, দেউতাৰ ছায়া, ৰ'দেও ছুই মোক, আমনি নকৰে
নিভাঁজ নিভাঁজ, আইৰে পৰশ, সেই অনুভৱ যেন, কোনো সৰগৰে
সেই অনুভৱ যেন, কোনো সৰগৰে

নৱ জাতক আশাবোৰে শান্তি দিয়ে মনত প্ৰেৰণা জগায়
পোহৰালে আকাশী জুনে পৃথিৱী আশাৰ জুনে মন পোহৰায়
এজাক এজাক মেঘালী চৰাই হয়তো আমাৰ আবেগত অশ্ৰু বুৰাই
হতাশ মনত কেতিয়াবা আশাৰ ভাগীৰথী সপোনে বুৰাই

ভগা সপোনৰ অৰ্থ কি

ভগা সপোনৰ অৰ্থ কি সুধি চোৱানা আমাক এবাৰ
যাৰ একোকে হেৰুৱা নাই সি নাজানে ব্যথা হেৰুৱাৰ
এক অভাবিৰ কষ্ট কি সুধি চোৱানা আমাক এবাৰ
বিচাৰোতে পোৱা সকলো সি নাজানে ব্যথা নোপোৱাৰ
উশাহৰ হ'ব অৰ্থ কি যদি সংঘাত মিচা হয়
সপোনৰ হ'ব অস্থী ছাই যদি সংঘাত মিচা হয়

নিৰাশায় ভাঙে গঢ়ে কোনে
গঢ়া ভঙাৰ যুঁজত আছো আমি
বেয়া নহয় জানা এই সময়
সফলতাৰ লোভত মাথো আমি
যদি সংঘাত মিচা হয়
পৃথিৱীত আছে সচা কি
যদি প্ৰেমও ছলনা হয়
আছো কিয় তাকে সাবটি

মৃত মানৱৰ এই সমাগম
বিচাৰিছা জীৱিত মানৱ
ভাবি চালে বুজি পাবা যে
মানৱতে জীৱিত দানৱ
পৃথিৱীটো জুৰি প্ৰতিদিন
কত অপৰাধ বিয়পি যায়
কতজনে বাৰু শাস্তি পায়
নাজানো কিয় দোষী মুক্তি পায়

মানৱীয়তাৰ দেহ কাটি
যদি হিংস্ৰ পশু হোৱা
প্ৰণয়ৰ হ'ব অস্থি ছাই
যদি হিংসাক ছুই দিয়া

পঢ়া শুনাত কোনে শ্ৰেষ্ঠ হয়
মা দেউতাও যে জ্যেষ্ঠ হয়
পাহৰি যাও কিয় এই কথা
ডিগ্ৰী বোৰেই তো জীৱন নহয়
ডিগ্ৰীতে আজি শিক্ষা শেষ
ভাল ব্যৱহাৰো ঘৰ বিহীন
বেয়া আচৰণ, বেয়া প্ৰভাৱ
বেয়া কথাত কাৰ মুখ মলিন
সমাজলে ৰ'ব অৰ্থ কিনো
যদি সভ্যতা হেৰুৱায়

নোপোৱাৰ কবিতা

মোৰ কবিতা আৰু গীতসমূহ

Nupowaar Kobitaa

An Assamese Poetry Book by Subhajit Raikarmakar

Deep Starglance Publishing



"নোপোৱাৰ কবিতা" হৈছে শুভজিৎ ৰায়কৰ্মকাৰৰ অসমীয়া ভাষাত ৰচিত এটা কবিতা সংকলন আৰু এইখনেই তেওঁৰ প্ৰথম কিতাপ। এই কিতাপখনৰ সকলো কবিতা, দুশৰীয়া কবিতা আৰু গীতৰ কথা পুথিখনৰ লেখক শুভজিৎ ৰায়কৰ্মকাৰৰ দ্বাৰা মৌলিকভাৱে লিখা হৈছে। কিতাপখনত অন্তৰ্ভুক্ত কৰা গীতসমূহৰ মূল সুৰকাৰ হৈছে দেৱজিৎ ৰায়কৰ্মকাৰ। এই কিতাপখনত কোনো স্বত্বাধিকাৰ উলংঘা কৰা সমল ব্যৱহাৰ কৰা হোৱা নাই।

বিগত বহু দিন ধৰি লিখি
আছিলো এপাহ ফুলৰ
পাপৰি মৰহি যোৱাৰ
কাহিনী
বুটলি আছিলো লেৰেলি
যোৱা স্মৃতিৰ ৰক্তাক্ত
শেৱালিবোৰ
তেতিয়া বৰকৈ চকুত ভাহি
উঠিছিল ধুসৰ ধুসৰ হৈ
তোমাৰ স্পৰ্শ তোমাৰ
আঁচল তোমাৰ ৰুমাল
টোপা টোপে ক্ষৰিত হোৱা
হৃদয়ৰ আবেগ আৰু
দুখবোৰ যেন অফুৰন্ত
নিয়ৰ

- শুভজিৎ ৰায়কৰ্মকাৰৰ

DEEP STARGLANCE PUBLISHING